# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ১৬/২০২০**

## কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালক
## ৰাজ্যৰ তৈল আৰু গেছ খণ্ডৰ সৱলীকৰণত কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ১৮ জানুৱাৰী ঃ** কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক আজি গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত সাক্ষাৎ কৰি ৰাজ্যৰ তৈল আৰু গেছ খণ্ডৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পৰ্কত আলোচনা কৰে। আলোচনা কালত হাইড্ৰ'কাৰ্বন ক্ষেত্ৰখনত বৰ্তমানে ৰূপায়িত হৈ থকা বিভিন্ন প্ৰকল্প সমূহৰ বিষয়ে পৰ্যালোচনা কৰাৰ উপৰি মন্ত্ৰীদ্বয়ে অসমৰ তৈল আৰু প্ৰাকৃতিক গেছ খণ্ডৰ আন্তঃগাঁথনিৰ সৱলীকৰণৰ বিষয়েও আলোচনা কৰে।

আলোচনাকালত মুখ্যমন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত গঠিত অৰ্থনৈতিক পৰিক্ৰমাৰ কেবিনেট কমিটীয়ে ৰাজ্যৰ তেল আৰু প্ৰাকৃতিক খণ্ড শক্তিশালীকৰণৰ বাবে শেহতীয়াকৈ গ্ৰহণ কৰা পদক্ষেপ সমূহৰ প্ৰশংসা কৰি ইয়াৰ বাবে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী গৰাকীক ধন্যবাদ জনায়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু পলিমাৰ লিমিটেডলৈ অহা ১৫ বছৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা ফীডষ্টক চাবছিডি, তেল আৰু প্ৰাকৃতিক গেছৰ অন্বেষণৰ বাবে অনুমোদন জনোৱা ৰাজ সাহায্যৰ উপৰি উত্তৰ-পূবত ইন্দ্ৰধনুছ গেছ গ্ৰীড লিমিটেড সংস্থাপনৰ বাবে অনুমোদন জনোৱা, ভায়েবিলিটি গেপ ফাণ্ডিঙে সমগ্ৰ অঞ্চলটোৰ আৰ্থ-সামাজিক বিকাশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব।

কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথি শালাতে অসম পেট্ৰ'কেমিকেলছ্ লিমিটেড আৰু অসম হাইড্ৰ'কাৰ্বন এণ্ড এনাৰ্জি কোম্পানী লিমিটেডৰ প্ৰতিনিধি বৰ্গইও সাক্ষাৎ কৰি ৰাজহুৱা খণ্ডৰ উদ্যোগ দুটাৰ সৈতে জড়িত বিষয় সামৰি স্মাৰক পত্ৰ প্ৰদান কৰে। অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডৰ প্ৰতিনিধি বৰ্গই কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক অৰ্থনৈতিক পৰিক্ৰমাৰ কেবিনেট কমিটীয়ে বিচিপিএললৈ অনুমোদন জনোৱা ফীডষ্টক চাবছিডিৰ দৰে অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডলৈও ৰাজ সাহায্য আগবঢ়াবলৈ অনুৰোধ জনায়। আনহাতে, অসম হাইড্ৰ'কাৰ্বন এণ্ড এনাৰ্জি কোম্পানী লিমিটেডৰ প্ৰতিনিধি সকলে উদ্যোগটোক অধিক গতিশীল কৰি তোলাৰ বাবে অইল ইণ্ডিয়া লিমিটেডত ১০ শতাংশ পাৰ্টিচিপেটিং ইন্টাৰেষ্টত অনুমোদন জনাবলৈ অনুৰোধ জনায়।

কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আলোচনা কালত উত্তৰ-পূৰ্বাঞ্চলৰ তৈল আৰু প্ৰাকৃতিক গেছ খণ্ডৰ সম্ভাৱনীয়তাৰ ওপৰত ইতিবাচক মত প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে ৰাজহুৱা খণ্ডৰ উদ্যোগ দুটাই উত্থাপন কৰা দাবীৰ বিষয়টো পৰ্যালোচনা কৰাৰ আশ্বাস প্ৰদান কৰে। তেখেতে লগতে অসম চৰকাৰক ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰত অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন কৰি বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ অনুৰোধ জনায়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

এই বৈঠকত অসম চৰকাৰৰ খনি আৰু খনিজাত সামগ্ৰী বিভাগৰ মন্ত্ৰী চুম ৰংহাং, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডৰ উপাধ্যক্ষ বিকুল চন্দ্ৰ ডেকা, অসম হাইড্ৰ'কাৰ্বন এণ্ড এনাৰ্জি কোম্পানী লিমিটেডৰ অধ্যক্ষ পোনাকন বৰুৱা, উপাধ্যক্ষ শিৰজী ডুবে প্ৰমুখ্যে বিষয়াবৰ্গ উপস্থিত থাকে।

**বীঃগঃ**
**১৮/০১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in